**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-05-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***
***Headlines***

-----------------------

১।	তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ সামৰণি। অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলৰ ৰাইজৰ মন জয়ৰ শেষ চেষ্টা। গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ।

২।	যাতায়তৰ ক্ষেত্ৰত দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ দল ৰাওনা।

৩।	তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধ ঘোষণা। ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা আৰোপ।

*আৰু*

৪।	আই পি এল ক্ৰিকেটত প্ৰথমখন খেলত পাঞ্জাব কিংছক চেন্নাই ছুপাৰ কিংছৰ ১৬৮ ৰাণৰ বিজয় লক্ষ্য নিৰ্দ্ধাৰণ। দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত বিভিন্ন ধৰণেৰে প্ৰচাৰ চলাই ৰাইজৰ মন জয় কৰাৰ চেষ্টা কৰে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ আজাৰাত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। ইফালে, ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা লতাশিল খেলপথাৰলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এটা মটৰ চাইকেল ৰেলী উলিয়ায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা ৰেলীটোত সাংসদ পল্লৱ লোচন দাস আৰু পৱিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে। আনহাতে, গুৱাহাটী লোকসভা সমষ্টিৰ জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত গুৱাহাটী ৰাজীৱ ভৱনৰ পৰা দিছপুৰৰ মানবেন্দ্ৰ শৰ্মা ভৱনলৈ এটা সমদল উলিওৱা হয়। এই সমদলত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ অজিত কুমাৰ ভূঞাকে ধৰি বহু নেতা আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে।

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনটোত অসম গণ পৰিষদ দলেও গণেশগুৰিৰ পৰা আমবাৰীৰ মুখ্য কাৰ্যালয়লৈ এটা মটৰ চাইকেল সমদল উলিয়ায়। সমদলটোত দলটোৰ সভাপতি তথা কৃষি মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি তথা স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তকে ধৰি দলীয় নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰ অনুষ্ঠানটোত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰে। ইফালে, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে বাক্সা জিলাৰ জালাহত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও বজালী জিলাৰ কেন্দুগুৰি বজাৰ এলেকাত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানলৈ গৈ বিজেপি মিত্ৰজোঁটৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। চিৰাং জিলাত অন্তিম নিৰ্বাচনী প্ৰচাৰৰ দিনটোত কোকৰাঝাৰ সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত মন্ত্ৰী অশোক সিংহাল আৰু পীযুষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰীশংকৰ শৰণীয়াৰ সমৰ্থনত বিজনীত দলীয় নেত্ৰী তথা ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মানকাচৰৰ তিনিটা পৃথক স্থানত কংগ্ৰেছ, অগপ আৰু এ আই ইউ ডি এফেও নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে, ধুবুৰী জিলা কংগ্ৰেছৰ উদ্যোগত ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ জিলাখনত এটা মটৰ চাইকেল ৰেলীৰে নিৰ্বাচনী প্ৰচাৰ চলোৱা হয়। একেদৰে বিজেপি মিত্ৰজোঁটৰ অগপ দলৰ প্ৰাৰ্থী জাৱেদ ইছলামৰ হৈও ধুবুৰী জিলা বিজেপি যুৱ মৰ্চাই এটা বাইক ৰেলী উলিয়ায়।

চি পি আই এমৰ বৰপেটা সমষ্টিৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ সমৰ্থনত দলীয় সদস্যসকলে বৰপেটাস্থিত জিলা কাৰ্যালয়ৰ পৰা এটা সমদল উলিয়ায়। সমদলটোৱে সমগ্ৰ বৰপেটা চহৰ গীত-মাত শ্লোগানেৰে মুখৰিত কৰি পৰিভ্ৰমণ কৰে। একেদৰে অগপ আৰু কংগ্ৰেছেও সমদল উলিয়াই বৰপেটা চহৰৰ পাৰ্শ্ববৰ্ত্তী স্থানবোৰ পৰিভ্ৰমণ কৰি নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত বিশেষ মাত্ৰা প্ৰদান কৰে।

০০০০০০

তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া চাৰিটা লোকসভা সমষ্টিৰ অন্তৰ্গত জিলাসমূহৰ যাতায়তৰ ক্ষেত্ৰত দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ নিৰ্বাচনী বিষয়া-কৰ্মচাৰীৰ দল আজিয়েই আগতীয়াকৈ ৰাওনা হয়। পৰহিলৈ বৰপেটা আৰু ধুবুৰী লোকসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে আজি বৰপেটা জিলাতো ভোটগ্ৰহণকাৰী দলসমূহে প্ৰান্তীয় আৰু ভিতৰুৱা এলেকাসমূহলৈ যাত্ৰা কৰে। উল্লেখযোগ্য যে বৰপেটা জিলাৰ মন্দিয়া আৰু চেঙা বিধানসভা সমষ্টি দুটা ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত। নিৰ্বাচনৰ বাবে বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত ষ্ট্ৰং ৰুম স্থাপন কৰা হৈছে। বৰপেটা নিৰ্বাচনী জিলাত সৰ্বমুঠ এহেজাৰ ৩৪টা ভোটকেন্দ্ৰ আছে। ইয়াৰে ১১২টা কেন্দ্ৰ দুৰ্গম স্থানত অৱস্থিত। জিলাখনত ব্ৰহ্মপুত্ৰৰ মাজত থকা শতাধিক চৰসমূহত এই দুৰ্গম কেন্দ্ৰসমূহ অৱস্থিত। বৰপেটা নিৰ্বাচনী বিষয়া ময়ূৰাক্ষী দত্তই জনোৱা অনুযায়ী এই কেন্দ্ৰসমূহলৈ যোৱাৰ বাবে পাঁচখন ঠাইত মধ্যৱৰ্ত্তী ষ্ট্ৰং ৰুম স্থাপন কৰা হৈছে। বাঘমাৰা, কাছুমাৰা, মন্দিয়া, বহৰি আৰু ডুমুৰীত এই মধ্যৱৰ্ত্তী ষ্ট্ৰং ৰুমসমূহ আছে।

নলবাৰী জিলাতো অতি দুৰ্গম ব্ৰহ্মপুত্ৰ নদীৰ চৰ অঞ্চলৰ ৫১টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিৰ্বাচনী বিষয়াসকলে ভোটগ্ৰহণ সমগ্ৰীৰ সৈতে আজি যাত্ৰা আৰম্ভ কৰিছে। প্ৰায় ৩৭০ গৰাকী নিৰ্বাচনী বিষয়াই আজি বিয়লি মুকালমুৱাৰ পৰা নাও, ট্ৰেক্টৰ, ম'হগাড়ী আৰু মটৰ চাইকেলেৰে গন্তব্যস্থানলৈ যায়।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বাক্সা জিলা নিৰ্বাচনী বিষয়াই জিলাখনত আজি বিয়লি ৫ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। একেটা নিৰ্দেশনাতে জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগণনাৰ বাবে নিৰ্ধাৰিত ৪ জুনৰ দিনটোতো ভোটগণনা সমাপ্ত নোহোৱালৈকে জিলাখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। আনহাতে, জিলাখনত আজি বিয়লি ৫ বজাৰ পৰা সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰিব বুলি নিৰ্দেশনাযোগে কোৱা হৈছে। বজালী জিলাতো জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই আজি বিয়লি ৫ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। এই সময়ছোৱাত সকলো ধৰণৰ সুৰা সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত পৰহিলৈ হবলগীয়া নিৰ্বাচনত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। ইয়াৰ ভিতৰত ছগৰাকী মহিলা প্ৰাৰ্থী আছে। আনহাতে, এইটো পৰ্যায়ত ৯ হাজাৰ ৫১৬ টা ভোটগ্ৰহণ কেন্দ্ৰত ৮১ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ইয়াৰ ভিতৰত ৪১ লাখৰো অধিক পুৰুষ, ৪০ লাখৰো অধিক মহিলা আৰু ১১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ ঊৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ইপিনে, বৰপেটা সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ দীপ বায়ন, চিপিআইএমৰ মনোৰঞ্জন তালুকদাৰ, আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল কালাম আজাদেও সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিব। বৰপেটা সমষ্টিত প্ৰায় ১৭ লাখ ভোটদাতা আছে। আনহাতে, কোকৰাঝাৰ লোকসভা সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোঁটৰ হৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, কংগ্ৰেছৰ গৰ্জন মুছাহাৰী আৰু তৃণমূল কংগ্ৰেছৰ গৌৰীশংকৰ শৰণীয়াই

প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ অসম গণ পৰিষদৰ জাভেদ ইছলাম, কংগ্ৰেছৰ ৰকিবুল হুছেইন আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ধৰমশালাত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰথমে বেট ধৰি চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬৭ ৰাণ কৰিবলৈ সমৰ্থ হয়। বাতৰি যুগুত কৰাৰ পৰলৈকে ১৬৮ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি পঞ্জাব কিংছে  ১৬ অভাৰত ৮ উইকেটত ১০৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ইফালে, লক্ষ্ণৌৰ একানা স্পোৰ্টছ চিটীত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰস্তুতি আৰু বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান, ভোটদাতাসকলক নিৰ্বাচনৰ পৰৱৰ্তী সময়ৰ বাবে হিতাধিকাৰী কেন্দ্ৰীক আঁচনিত পঞ্জীভুক্ত নকৰিবলৈ ৰাজনৈতিক দলসমূহলৈ নিৰ্বাচন আয়োগৰ নিৰ্দেশ, ডিমা হাচাও জিলাত বৰষুণৰ বাবে  বিশেষ সতৰ্কতা জাৰি, জিলাখনত প্ৰতিকুল বতৰৰ বাবে বিদ্যালয় বন্ধৰ ঘোষণাকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

০০০০০০০০

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে শাসনাধিস্থিত  বিজেপি মিত্ৰজোটৰ উপৰি কেইবাটাও ৰাজনৈতিক দলৰ শীৰ্ষ নেতৃত্বই ৰাজ্যখনত প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিগত সপ্তাহত গুৱাহাটীত প্ৰচাৰ চলোৱাৰ লগতে সংবাদ মাধ্যমক সম্বোধন কৰে। আনহাতে, কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও  যোৱা ১ মে'ত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

তদুপৰি চিপিআইএমৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, চিপিআইএমৰ জ্যেষ্ঠ নেতা মানিক সৰকাৰেও প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কংগ্ৰেছ দলৰ নেত্ৰী অলকা লম্বা, এ আই ইউ দি এফৰ মুৰব্বী বদৰুদ্দিন আজমল আৰু বিপিএফৰ প্ৰধান হাগ্ৰামা মহিলাৰীয়েও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০

দেশৰ নিৰ্বাচন আয়োগে ভোটদাতাসকলক নিৰ্বাচনৰ পৰৱৰ্ত্তী সময়ৰ বাবে হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত পঞ্জীভুক্ত নকৰিবলৈ সকলো ৰাজনৈতিক দললৈ যোৱা বৃহস্পতিবাৰে নিৰ্দেশ জাৰি কৰে। বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰস্তাৱিত হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত অন্তৰ্ভুক্তিৰ বাবে জৰীপ কৰাৰ চলেৰে ভোটদাতাসকলৰ পৰা বিভিন্ন তথ্য সংগ্ৰহ কৰাটো আয়োগৰ দৃষ্টিগোচৰ হোৱাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ জাৰি কৰে। ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৩(১) ধাৰাৰ অধীনত এই কাৰ্যক উৎকোচ গ্ৰহণ আৰু দুৰ্নীতিৰ সমপৰ্যায়ৰ বুলি উল্লেখ কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহক এনে কাৰ্যত জড়িত নহবলৈ নিৰ্দেশযোগে সকিয়াই দিয়ে।

০০০০০

গুৱাহাটী বতৰ বিজ্ঞান কেন্দ্ৰৰ নিৰ্দেশনামৰ্মে ডিমা হাচাও জিলা প্ৰশাসনে যোৱা বৃহস্পতিবাৰে প্ৰতিকুল বতৰৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কতামূলক নিৰ্দেশনা জাৰি কৰে। নিৰ্দেশনা অনুসৰি জিলাখনৰ সকলো শিক্ষানুষ্ঠান ৩ দিনৰ বাবে বন্ধ ৰখা হয়।

জিলাখনত বিগত কিছু দিন ধৰি হৈ থকা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা লাভ কৰা আগতীয়া জাননী অনুসৰি জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জিলাখনত যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰিছে। এই অনুসৰি যোৱা নিশা ৮ বজাৰ পৰা কাৰ্যকৰী হোৱাকৈ গধূৰ বাণিজ্যিক বাহনসমূহে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাতিংগা-হাৰাংগাজাও অংশ অতিক্ৰম কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পথটোৰ মেৰামতিৰ কাম চলি থকাৰ লগতে প্ৰচণ্ড বৰষুণে সৃষ্টি কৰা পৰিস্থিতিলৈ লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। বৰাক উপত্যকাৰ পৰা অহা-যোৱা কৰা গধূৰ বাণিজ্যিক বাহনসমূহক বিকল্প পথ ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী জাননী নিদিয়া পৰ্যান্ত মেঘালয়ৰ মাজেৰে যান-বাহনসমূহৰ চলাচল কৰোৱাবলৈ নিৰ্দেশ দিয়া হৈছে। সম্ভাব্য বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পৰা ৰক্ষা কৰিবলৈ এনে পদক্ষেপ লোৱা হৈছে। উল্লেখযোগ্য যে, বতৰ বিজ্ঞান বিভাগে জিলাখনত ৫ মে'ৰ পৰা ১৫ মে পৰ্যান্ত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছিল।

00000

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে যোৱা বুধবাৰে আকাশবাণী বাতৰি বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰে। ১৯৯১ বেটছৰ ভাৰতীয় তথ্য সেৱাৰ বিষয়া শ্ৰীমতী চক্ৰৱৰ্তীয়ে প্ৰেছ ইনফৰমেচন ব্যুৰ' আৰু চেণ্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনকে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ কেইবাটাও সংবাদ সংস্থাত কাৰ্যনিৰ্বাহ কৰিছিল। তিনিটা দশকৰো অধিক সময়ৰ চাকৰিকালত ইতিপূৰ্বে তেওঁ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত কেবিনেট মন্ত্ৰীৰ ব্যক্তিগত সচিব হিচাপেও দায়িত্ব পালন কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান বসুধা গুপ্তাই মঙলবাৰে অৱসৰ গ্ৰহণ কৰাৰ পাছত ভাৰতীয় তথ্য সেৱাৰ বিষয়া তথা অসমৰ তেজপুৰৰ মৌচুমী চক্ৰৱৰ্তীয়ে দায়িত্ব গ্ৰহণ কৰে।

0000000

সমগ্ৰ শিক্ষা অসম আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচনী  বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত ছুইপ কাৰ্যসূচীৰ অধীনত ভৱিষ্যতৰ ভোটদাতাসকলক শিক্ষাদানৰ বাবে সংকল্প পত্ৰ অভিযান শীৰ্ষক পদক্ষেপ গ্ৰহণ কৰা হয়। এই পদক্ষেপৰ অংশ হিচাপে শিক্ষাৰ্থীসকলক তেওঁলোকৰ অভিভাৱকসকলক উদ্দেশ্যি ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে পত্ৰ লিখিবলৈ আহ্বান জনোৱা হৈছিল। কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলক সমগ্ৰ শিক্ষাৰ কাৰ্যবাহী সঞ্চালক সঞ্জয় দত্তই শিক্ষাৰ্থীয়ে সংকল্প পত্ৰ অভিযানত অংশগ্ৰহণ কৰাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে।  শিক্ষাৰ্থীক ভোটাৰ শিক্ষণ কাৰ্যত জড়িত কৰাৰ প্ৰক্ৰিয়াই গণতান্ত্ৰিক ব্যৱস্থাৰ গাঠনি শক্তিশালী কৰাত সহায় কৰাৰ লগতে নিৰ্বাচন আয়োগৰ নিৰ্বাচনৰ পৰ্ব দেশৰ গৰ্ব ধাৰণালৈ অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

00000000

কোৱিড প্ৰতিষেধকৰ পাৰ্শ্বক্ৰিয়া সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত আৰু প্ৰকাশিত বাতৰিয়ে জনসাধাৰণক উদ্বিগ্ন কৰাৰ সময়তে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ এটা দলে এই সন্দৰ্ভত গৱেষণা কৰাৰ ব্যৱস্থা কৰিছে। এই দলটোত বিশেষজ্ঞ চিকিৎসক ডাঃ শ্ৰীমন্ত মাধৱ বৰুৱা, ডাঃ মৃগাংক শেখৰ চলিহাকে ধৰি কেবাগৰাকীও বিশেষজ্ঞ চিকিৎসক আৰু গৱেষক ছাত্ৰ আছে। এই সন্দৰ্ভত দুটা বিনামূলীয়া ফোন নম্বৰ মুকলি কৰি জনসাধাৰণৰ সৈতে সংযোগ স্থাপনৰ দিহা কৰা হৈছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে, ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকাত অনুষ্ঠিত হ'বলগীয়া আই চি চি পুৰুষৰ টি-২০ বিশ্বকাপ ২০২৪ৰ বাবে ভাৰতীয় ১৫ জনীয়া দলটো ঘোষণা কৰিছে। ৰোহিত শৰ্মাই দলটোক নেতৃত্ব দিব আৰু হাৰ্ডিক পাণ্ডিয়াক উপ-অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। দলটোত স্থান লাভ কৰা বাকী সদস্যসকল হৈছে- যশস্বী জয়ছোৱাল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, সঞ্জু ছেমচন, শিৱম ডুবে, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, য়জবেন্দ্ৰ চহল, অৰ্শ্বদীপ সিং, জছপ্ৰীত বুমৰাহ, মহম্মদ ছিৰাজ। বাছনি সমিতিয়ে লগতে অতিৰিক্তভাৱে ৪জন খেলুৱৈকো বাছনি কৰিছে। অতিৰিক্ত খেলুৱৈকেইজন হ'ল- শুভমন গিল, ৰিংকু সিং, খলিল আহমেদ আৰু আৱেছ খান। ভাৰতে বিশ্বকাপত অহা ৫ জুনত নিউয়ৰ্কত প্ৰথমখন খেল আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহৰ চমু অৱলোকন।

০০০০০০০০

সমাপ্ত